**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::**

১। ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যুৰ পাছতে বিশ্বৰ বিভিন্ন দেশত শোকসভা আৰু প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে।

২। পশ্চিম এছিয়াৰ ভাৰতীয় দূতাবাসসমূহে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই ভাৰতীয় নাগৰিকসকলক পৰামৰ্শাৱলী মানি চলিবলৈ আহ্বান জনাইছে।

৩। পশ্চিম এছিয়াৰ বৰ্ধিত ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় বিমান কোম্পানীসমূহে ৩৫০ খন বিমানৰ সেৱা বাতিল কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুডুচেৰীত ২ হেজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ***আৰু***

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি চুপাৰ এইটৰ এখন খেলত ভাৰত - ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যুৰ পাছতে বিশ্বৰ বিভিন্ন দেশত শোকসভা অনুষ্ঠিত হোৱাৰ লগতে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। তেহৰানকে ধৰি অন্যান্য চহৰসমূহত লাখ লাখ লোকে ইৰাণৰ সৰ্বোচ্চ নেতাগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ বাতৰি পোৱা গৈছে। দেশখনৰ ইছফাহন আৰু জনজান চহৰ দুখনৰ ৰাজপথতো জনসাধাৰণৰ প্ৰতিবাদ পৰিলক্ষিত হৈছে। ইছলামিক নেতাগৰাকীৰ মৃত্যুৰ প্ৰতিশোধৰ চিন হিচাপে দেশখনৰ অন্যতম গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থান জামকৰণ মছজিদৰ ওপৰত ৰঙা পতাকা উৰুওৱা হৈছে। ইৰাণৰ বাহিৰতো জনসাধাৰণে ঐক্যবদ্ধ হৈ প্ৰতিবাদ কৰাৰ বাতৰি পোৱা গৈছে। ইৰানক ৰাজধানী বাঘদাদৰ ৰাজপথত জনসাধাৰণে একত্ৰিত হৈ শোক পালন কৰে। ভাৰততো দিল্লীৰ ইৰাণ সাংস্কৃতিক ভৱনৰ সন্মুখত খামেনেইৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত বহুসংখ্যক লোক একগোট হয়। জম্মু-কাশ্মীৰৰ ছিয়া সম্প্ৰদায়ৰ লোকসকলে শ্ৰীনগৰৰ পাকিস্তান মুখ্য কাৰ্যালয় আৰু ভাৰতত থকা ৰাষ্ট্ৰসংঘৰ সামৰিক পৰ্যবেক্ষক গোটৰ বাহিৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

ইপিনে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইৰাণৰ সৰ্বোচ্চ নেতাগৰাকী আৰু তেওঁৰ পৰিয়ালক হত্যা কৰাৰ ঘটনাক গৰিহণা দিছে। ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানলৈ পঠোৱা এটা বাৰ্তাত শ্ৰীপুটিনে এই ঘটনাক নৈতিকতা আৰু আন্তঃৰাষ্ট্ৰীয় আইন উলংঘা কৰা বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতি পুটিনে ৰাছিয়া-ইৰাণৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ পৰিণত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা খামেনেইৰ প্ৰশংসা কৰি তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে।

উল্লেখযোগ্য যে আমেৰিকা আৰু ইজৰাইলে ইৰাণৰ সামৰিক আৰু চৰকাৰী স্থানসমূহক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যু হয়। খামেনেইৰ মৃত্যুত দেশখনত ৪০ দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে।

০০০০০

আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যুৰ পাছত দেশখনৰ জ্যেষ্ঠ ধৰ্মীয় নেতা আয়াতুল্লাহ আলীৰেজা আৰাফিয়ে ইৰানৰ সৰ্বোচ্চ নেতা হিচাপে সেৱা আগবঢ়াব। দেশখনৰ এটা সংবাদ সংস্থাই প্ৰকাশ কৰা অনুসৰি আয়াতুল্লাহ আলীৰেজা আৰাফিক অস্থায়ী নেতৃত্ব পৰিষদৰ আইনজ্ঞ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। এই পৰিষদে ইৰাণৰ সাংবিধানিক প্ৰক্ৰিয়া অনুসৰি এজন উত্তৰাধিকাৰী নিৰ্বাচন নকৰা পৰ্যন্ত সৰ্বোচ্চ নেতাৰ সকলো দায়িত্ব পালন কৰিব। ইৰাণৰ সাংবিধানিক ব্যৱস্থা অনুসৰি অন্তৰৰ্তী পৰিষদত ৰাষ্ট্ৰপতি, মুখ্য ন্যায়াধীশ আৰু গাৰ্ডিয়ান কাউন্সিলৰ এজন আইনজ্ঞ থাকে। খামেনেইৰ মৃত্যুৰ পাছত এতিয়া এই পৰিষদে যুটীয়াভাৱে দেশখনক নেতৃত্ব দিব।

০০০০০

পশ্চিম এছিয়াৰ ভাৰতীয় দূতাবাসসমূহে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই ভাৰতীয় নাগৰিকসকলক পৰামৰ্শাৱলী মানি চলিবলৈ আহ্বান জনাইছে। ইজৰাইলস্থিত ভাৰতীয় দূতাবাসে অস্থায়ীভাৱে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ আৰু সময়মতে সাহায্য আৰু যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে দূতবাসৰ ৱেবচাইটত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

একেদৰে তেহৰানত থকা ভাৰতীয় দূতাবাসেও ভাৰতীয় নাগৰিকসকলক সতৰ্কতা বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। দূতাবাস কৰ্তৃপক্ষই প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ আৰু শেহতীয়া ঘটনাক্ৰমৰ বিষয়ে অৱগত হোৱাৰ বাতৰি চাই থাকিবলৈ কৈছে। আবু ধাবিত থকা ভাৰতীয় দূতাবাসেও ইউ এ ইত থকা ভাৰতীয় নাগৰিকসকলক অযথা ভ্ৰমণ এৰাই চলিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

দোহাৰ ভাৰতীয় দূতাবাসেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ২৪ ঘণ্টাই খোলা থকা হেল্পলাইন নম্বৰ মুকলি কৰিছে। ডামাস্কাছত থকা ভাৰতীয় দূতাবাসে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই চিৰিয়াত থকা সকলো ভাৰতীয় নাগৰিকক অনাৱশ্যকীয় যাত্ৰা এৰাই চলিবলৈ, সতৰ্ক হৈ থাকিবলৈ আৰু দূতাবাস তথা চিৰিয়াৰ কৰ্তৃপক্ষই সময়ে সময়ে জাৰি কৰা সুৰক্ষা নিয়মাৱলী আৰু পৰামৰ্শৱলী মানি চলিবলৈ আহ্বান জনাইছে।

০০০০০

পশ্চিম এছিয়াত বৰ্ধিত ভূ ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় বিমান কোম্পানীসমূহে ৩৫০ খন বিমানৰ সেৱা বাতিল কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে যাত্ৰীসকলক তেওঁলোকৰ বিমানৰ সবিশেষ পৰীক্ষা কৰিবলৈ আৰু প্ৰয়োজনীয় সহযোগিতাৰ বাবে সংশ্লিষ্ট বি্মান কোম্পানীৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিছে।

এনে উদ্বেগজনক পৰিস্থিতিৰ মাজতে দিল্লী বিমান বন্দৰে যাত্ৰীসকলৰ বাবে কিছু পৰামৰ্শাৱলী জাৰি কৰিছে। এই অনুসৰি পশ্চিমলৈ যাবলগীয়া আন্তঃৰাষ্ট্ৰীয় বিমানসমূহৰ সময়ৰ সাল-সলনি হ'ব পাৰে বুলি বিমান বন্দৰে প্ৰকাশ কৰিছে। যাত্ৰীসকলক বিমান বন্দৰলৈ যোৱাৰ পূৰ্বে সংশ্লিষ্ট বিমান কোম্পানীৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। তদুপৰি যাত্ৰীসকলক শুদ্ধ তথ্যৰ বাবে কেৱল বিভাগীয় যোগোযোগ ব্যৱস্থাৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ

অনুৰোধ জনোৱা হৈছে। যিকোনো শেহতীয়া তথ্যৰ বাবে তেওঁলোকক বিভাগীয় ৱেৰছাইট www.newdelhi airport. in চাবলৈ অনুৰোধ জনোৱা হৈছে।

ooooo

সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ বায়ু প্ৰতিৰক্ষা বাহিনীয়ে ইৰাণৰ দুটা ড্ৰোন প্ৰতিহত কৰাৰ সময়ত ইয়াৰ ভগ্নাৱশেষ ডুবাইৰ দুটা ঘৰৰ ওপৰত পৰাৰ ফলত দুজন লোক আহত হৈছে বুলি দেশখনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ডুবাইৰ চৰকাৰী সংবাদ কাৰ্যালয়ে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয় যে দেশখনৰ বায়ু সেনা আৰু বায়ু প্ৰতিৰক্ষা বাহিনীয়ে ইৰাণে আক্ৰমণ চলোৱাৰ পৰা বৰ্তমানলৈ ১৩৭ টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ আৰু ২০৯ টা ড্ৰোন সফলভাৱে প্ৰতিহত কৰিছে। ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই আক্ৰমণক গৰিহণা দিয়াৰ লগতে যিকোনো ভাবুকিৰ প্ৰতি সহাৰি জনাবলৈ দেশখন সাজু আছে বুলি প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুডুচেৰীত ২ হেজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক পৰ্যটন, পৰিবেশ পৰ্যটন, চিকিৎসা পৰ্যটনত বিনিয়োগৰ জৰিয়তে পুডুচেৰী উন্নয়নৰ উচ্চ শিখৰলৈ গতি কৰিছে। কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ জনমুৰি আয় বৃদ্ধি আৰু দেশৰ ভিতৰতে সামাজিক সূচ্যাংকৰ তালিকাত লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে দ্বৈত ইঞ্জিন চৰকাৰে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ উন্নয়নক গতি প্ৰদান কৰিব। চিকিৎসা পৰ্যটনৰ কেন্দ্ৰ হিচাপেও পুডুচেৰীয়ে আত্মপ্ৰকাশ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। স্বাস্থ্য খণ্ডৰ প্ৰতি চৰকাৰৰ অগ্ৰাধিকাৰৰ কথা দোহাৰি তেওঁ কয়, যে চিকিৎসা সেৱা সকলোৰে বাবে সহজসাধ্য আৰু সুলভ হ'ব লাগে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এহেজাৰ ১৪২ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্প মুকলি কৰি কয়, যে সমগ্ৰ দেশতে বিশ্বমানৰ আন্তঃগাথনি নিৰ্মাণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। চলিত বৰ্ষৰ কেন্দ্ৰীয় বাজেটত আন্তঃগাথনি উন্নয়নৰ বাবে ১২ লাখ কোটি টকা ধাৰ্য কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে উন্নত পথ, খোৱাপানীৰ যোগান, উপকূলীয় আন্তঃগাথনি আৰু উন্নত বিদ্যালয় আৰু চিকিৎসালয়ে পুডুচেৰীৰ জনসাধাৰণৰ জীৱনত বিশেষভাৱে প্ৰভাৱ পেলাব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ মাডুৰাইত ৪ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কুম্বাকোনাম, ইয়াৰকোড় আৰু ভেলুৰৰ ৩ টা নতুন আকাশবাণী এফ এম ৰীলে ট্ৰান্সমিটাৰ প্ৰকল্প অন্যতম। এই উপলক্ষে আয়োজিত এখন সভাত ভাগ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো তামিলনাডুৰ যাত্ৰাৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়। এই প্ৰকল্পসমূহে যোগাযোগ সম্প্ৰসাৰণ কৰাৰ উপৰি ৰাজ্যখনৰ অৰ্থনীতি সৱল কৰি নিয়োগ সৃষ্টিৰ জৰিয়তে লাখ লাখ লোকৰ জীৱন সলনি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ভাৰত - ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতে টছত জিকি ৱেষ্ট ইণ্ডিজক

প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। আমালৈ বাতৰি অহাৰ পৰলৈ ৱেষ্ট ইণ্ডিজে ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৩ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ আন এখন খেলত আজি দক্ষিণ আফ্ৰিকাই জিম্বাব্ৱেক ৫ উইকেটত পৰাস্ত কৰে। দক্ষ্ণি আফ্ৰিকাই ১৫৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ ৫ টা বলত ৫ টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ ডিৰাল্ড ব্ৰেভিছে ৪২ আৰু ৰিয়ান ৰিকেলটনে ৩১ ৰান কৰে। ইয়াৰ পূৰ্বে জিম্বাব্ৱে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৫৩ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাৰ ছেমিফাইনেল খেল দুখন অহা ৪ আৰু ৫ মাৰ্চত আৰু ফাইনেল খেলখন ৮ মাৰ্চত অনুষ্ঠিত হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ